**দুখৰ কবিতা**

–অজিত বৰুৱা

**As he rose and fell**
**He lived the stages of his age and youth**
**Entering the whirlpool.**

গুজৰি সুঁহুৰি মাৰিলে সোঁতাল বাঘে
ভিতৰি বিজুলি বলিলে–কঠিন ঘামৰ ছবি
যেনে খুজি নাম দিবাঁ
ভিজা আন্ধাৰৰ ঘৰ জনাবোৰে অলপ মাথোন অনাই ৰ'বাঁ

পুৰনি বছৰ নতুন পলকে আঁজুৰি আঁজুৰি কান্দে
পানীৰে সময় ঘন কৰি হায় মৰণে জীৱন যাচে৷
আমাক ইদৰে ঘন ভেঙুচে ৰসিক মৰণে৷
"জীৱন কালৰ বহুৱা", মৰণ কাৰ?

নাৱৰ টিঙত যিবিলাক দীঘল বহা, চকুলো পেলাবাঁ
যুক্তিৰে লগ নোপোৱা দীঘল কৰি
ওপৰে আকাশ তলে চলে পানী
অকাঠী কাঠৰ নাৱৰপৰা খেদেৰে দেখোঁ আৰু সেই চকু
যি হ'ল মুকুতা আজি৷